# অসম বিধান সভা
# ২০২৬ চনৰ ০৮ জুলাইত উত্তৰ দিবলগীয়া
# মৌখিক প্ৰশ্ন নং – ৪৩

**বিষয়ঃ দিচাং নদীৰ খহনীয়া ৰোধ আৰু প্ৰতিকাৰ।**

**শ্ৰী ধৰ্ম্মেশ্বৰ কোঁৱৰ, বিধায়ক**

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

ক) সোণাৰি সমষ্টিৰ বৰহাটৰ পৰা ভজো অঞ্চললৈকে দিচাং নদীৰ খহনীয়াৰ কবলত পৰা গাওঁসমূহৰ বিষয়ে বিভাগে অৱগত নে?

খ) উক্ত অঞ্চল সমূহত দিচাং নদীৰ খহনীয়া ৰোধ কৰাৰ উদ্দেশ্যে বিভাগে কোনো পৰিদৰ্শন বা কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? যদি কৰিছে, তেন্তে তাৰ সবিশেষ জনাবনে?

**মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত সুশান্ত বৰগোহাঁই দেৱে উত্তৰ দিবঃ**

**– উত্তৰ–**

ক) হয়, সোণাৰি সমষ্টিৰ বৰহাটৰ পৰা ভজো অঞ্চললৈকে দিচাং খহনীয়াৰ কবলত পৰা গাওঁসমূহৰ বিষয়ে জলসম্পদ বিভাগ অৱগত।

খ) হয়, উক্ত অঞ্চলসমূহত দিচাং নদীৰ খহনীয়া ৰোধ কৰাৰ উদ্দেশ্যে চৰাইদেউ জলসম্পদ সংমণ্ডলৰ তৰফৰ পৰা ক্ষেত্ৰ পৰিদৰ্শন কৰা হৈছে তথা এই সমস্যা সমাধানৰ বাবে প্ৰয়োজনীয় কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰা হৈছে। দিচাং নদীৰ খহনীয়া ৰোধ কৰাৰ বাবে সোণাৰি সমষ্টিৰ অন্তৰ্গত নলিনী পথাৰ গাওঁ, নাহৰ পুখুৰী গাওঁ, খৰিয়াভেটা গাওঁ, ৰহন নেপালী গাওঁ, চেঁচাসত্ৰ গাওঁ (টিমন বৰতানী), বাঁহবৰীয়া ৰংচুৱাল গাওঁ, ভজো ৰংচুৱাল গাওঁ আদি অঞ্চলত ইতিমধ্যে কেইবাখনো আঁচনিৰ কাম চলি আছে আৰু ইয়াৰ সবিশেষ **Annexure-I** ত দাখিল কৰা হ'ল।

ইয়াৰ উপৰিও উক্ত অঞ্চলসমূহত খহনীয়া প্ৰতিৰোধৰ বাবে প্ৰস্তুত কৰা আঁচনিৰ তালিকা **Annexure-II** ত দাখিল কৰা হ'ল। এই আঁচনিসমূহ যাৱতীয় পুজিৰ উপলভ্যতা সাপেক্ষে হাতত লোৱা হ'ব।

(প্ৰশ্ন উত্তৰৰ সৈতে **Annexure-I** আৰু **Annexure-II** অনলাইন যোগে **NeVA** পৰ্টেলত দাখিল কৰা হৈছে)

************************

ANNEXURE-I

Schemes executed during the period 2024-25 are mentioned below:

| Sl No | Name of the Work | AA amount (Rs.) |
|---|---|---|
| 1 | Protection of Borhat Changmai Gaon area of Desang Left Bank from the erosion of river Desang. | 2,60,00,000.00 |
| 2 | Protection of Poitakhat area of Desang left bank from the erosion of river Desang. | 1,93,00,000.00 |

Schemes executing during the period 2025-26 (on going) is mentioned below:

| Sl No | Name of the work | AA amount (Rs.) |
|---|---|---|
| 1 | Protection of Desang Left bank at Rongchual Changmai Gaon and its adjoining areas from the erosion of river Desang. | 3,95,12,000.00 |

2/7/26

Chief Engineer
Water Resources Department
Assam Water Centre
5th Floor, Basistha Chariali, Ghy. - 29

ANNEXURE-II

**List of proposal at vulnerable locations submitted under Sonari LAC pertaining to Charaideo WR Division (From Borhat to Bhojo under Sonari LAC)**

| SL No | Name of the Scheme | Estimated Amount |
|---|---|---|
| 1 | Protection of Desang left bank at Adarsha Krishipam at Timon Bortanu area from the erosion of river Desang. | 475.00 Lakhs |
| 2 | Protection of Desang left bank at Khariabheta (Muga-Sumoni) from the erosion of river Desang. | 350.00 Lakhs |
| 3 | Protection of Desang L/B at Rohan Nepali Basti from the erosion of river Desang under Sonari LAC. | 327.15 Lakhs |
| 4 | Protection of Desang bank at Bahboria Rongchual Gaon from the erosion of river Desang. | 375.59 Lakhs |
| 5 | A/E measures to protect Desang L/B at Nalini Pather Gaon and its adjoining areas from the erosion of river Desang. | 495.95 Lakhs |
| 6 | Protection of Desang left bank at Uttar Somdar Gaon and its adjoining areas from the erosion of river Desang. | 420.00 Lakhs |

2/7/26

Chief Engineer
Water Resources Department
Assam Water Centre
5th Floor, Basistha Chariali, Ghy. - 29